# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-05-2026
**Time:** 1340 Hrs

***Assamese Midday Bulletin***
HEADLINES
0000000

১। BRICS ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ দুদিনীয়া বৈঠক নতুন দিল্লীত চলি আছে।

২। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীয়ে মাত্ৰ ২০ বছৰতে দেশৰ ১৪০ কোটি জনসাধাৰণৰ আস্থা অৰ্জন কৰিবলৈ সমৰ্থ হৈছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ৫ খন ৰাষ্ট্ৰ ভ্ৰমণৰ প্ৰথম পৰ্য্যায়ত কাইলৈ সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰলৈ যাব।

৪। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্প আৰু চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙে আজি বেইজিঙত আয়োজিত এখন শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হিমাচল প্ৰদেশৰ ধৰমশালাত হ’বলগীয়া এখন খেলত পঞ্জাব কিংছ আৰু মুম্বাই ইণ্ডিয়ানছ মুখামুখি হ’ব।

0000000

BRICS ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ দুদিনীয়া বৈঠক নতুন দিল্লীত চলি আছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত BRICS ৰাষ্ট্ৰসমূহৰ বিদেশ মন্ত্ৰীসকলৰ লগতে সদস্য ৰাষ্ট্ৰ আৰু অংশীদাৰ ৰাষ্ট্ৰসমূহৰ উচ্চ পৰ্যায়ৰ প্ৰতিনিধিসকল উপস্থিত আছে। ভাৰতৰ অধ্যক্ষতাত আয়োজিত এইবাৰৰ BRICS বৈঠকৰ মূল বিষয়বস্তু হৈছে - স্থিতিস্থাপকতা, উদ্ভাৱন, সহযোগিতা আৰু স্থায়ী বিকাশৰ বাবে নিৰ্মাণ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মানৱতা প্ৰথম আৰু জনসাধাৰণ কেন্দ্ৰিক দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি এই বিষয়বস্তু বাছনি কৰা হৈছে।

এই উপলক্ষে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° জয়শংকৰে কয়, যে শান্তি আৰু সুৰক্ষা বিশ্ব শৃংখলাৰ কেন্দ্ৰবিন্দু হৈ আছে। তেওঁ কয়, যে শেহতীয়া সংঘৰ্ষৰ ফলত আলোচনা আৰু কূটনীতিৰ গুৰুত্ব অধিক বৃদ্ধি পাইছে। জটিলতা আৰু অনিশ্চয়তাৰে ভৰা বৰ্তমানৰ বিশ্বত আলোচনাৰ মাধ্যমেৰে সমতা আৰু উমৈহতীয়া অথচ ভিন ভিন দায়িত্বৰ আদৰ্শৰাজিক বৰ্তাই ৰাখি বহনক্ষম উন্নয়নৰ প্ৰক্ৰিয়া আগুৱাই নিয়া উচিত বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। ড° জয়শংকৰে কয়, যে প্ৰযুক্তিগত উন্নয়নে গোলকীয় প্ৰেক্ষাপট সলনি কৰিছে আৰু সু-শাসন তথা সৰ্বাত্মক বিকাশৰ বাবে প্ৰযুক্তি ব্যৱহাৰ কৰিব পৰা যায়। তেওঁ কয়, যে উমৈহতীয়া স্বাৰ্থৰ খাতিৰত সন্ত্ৰাসবাদৰ বিৰুদ্ধে সহযোগিতা সুদৃঢ় কৰাটো অত্যন্ত জৰুৰী।

বাইট (জয়শংকৰ)

বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে লগতে অংশগ্ৰহণকাৰী দেশসমূহক ধন্যবাদ জ্ঞাপন কৰে আৰু BRICS পৰিকাঠামোৰ অধীনত সহযোগিতা সুদৃঢ়কৰণৰ প্ৰতি প্ৰকাশ কৰা প্ৰতিশ্ৰুতিবদ্ধতাৰ শলাগ লয়। তেওঁ কয়, যে সকলো সহযোগী আৰু সদস্যৰাষ্ট্ৰই দ্বিপাক্ষিক তথা বহুপাক্ষিক আলোচনাৰ জৰিয়তে ঘনিষ্ঠ আৰু নিয়মীয়া যোগাযোগ ৰক্ষা কৰা উচিত। আজিৰ বৈঠকে অৱধাৰণাৰ বিনিময় আৰু বিভিন্ন বিষয়ত সহমত গঢ়ি তোলাৰ বাবে মঞ্চ প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয়, যে বৰ্তমান বিশ্বৰ বিভিন্ন অংশত চলি থকা সংঘৰ্ষ, অৰ্থনৈতিক অনিশ্চয়তা আৰু বাণিজ্য, প্ৰযুক্তি তথা পৰিৱেশ বিষয়ক প্ৰত্যাহ্বানে গোলকীয় প্ৰেক্ষাপট সলনি কৰিছে আৰু এনে পৰিস্থিতিত BRICS ৰাষ্ট্ৰসমূহে গঠনমূলক আৰু সুস্থিৰ ভূমিকা পালন কৰিব বুলি আশা বৃদ্ধি পাইছে। তেওঁ কয়, যে বিশ্বৰ কেইবাখনো দেশ শক্তি, খাদ্য, সাৰ আৰু স্বাস্থ্য সুৰক্ষাৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে আৰু BRICS ৰাষ্ট্ৰগোষ্ঠীয়ে তেওঁলোকক ইয়াৰ প্ৰতি ফলপ্ৰসূ সঁহাৰি জনোৱাত সহায় কৰিব পাৰে।

দ্বিতীয় দিনা অৰ্থাৎ কাইলৈ “BRICS@20: স্থিতিস্থাপকতা, উদ্ভাৱন, সহযোগিতা আৰু বহনক্ষমতা গঢ়ি তোলা” বিষয়ত আলোচনা অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে গোলকীয় প্ৰশাসন আৰু বহুত্ববাদী ব্যৱস্থাৰ সংস্কাৰ বিষয়ক আন এখন আলোচনা সত্ৰ অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে, ব্ৰিকছৰ বিদেশ মন্ত্ৰীসকলে ইয়াৰ পূৰ্বে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ ৮০ সংখ্যক অধিবেশনৰ আগেয়ে যোৱা বছৰৰ ২৬ ছেপ্টেম্বৰত বৈঠকত মিলিত হৈছিল। এই বৈঠকত ভাৰতে অধ্যক্ষতা কৰিছিল।

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে আজি পুৰা নতুন দিল্লীত ইন্দোনেছিয়াৰ বিদেশমন্ত্ৰী ছুগিঅ'ন'ক সাক্ষাৎ কৰে আৰু ব্ৰিক্‌ছ ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ বৈঠকলৈ আদৰণি জনায়। ড° জয়শংকৰে সামাজিক মাধ্যমযোগে কয়, যে বৈঠকত তেওঁলোকে ভাৰত-ইন্দোনেছিয়া সৰ্বাত্মক কৌশলগত সহযোগিতাৰ অগ্ৰগতি আৰু দক্ষিণ পূব এছিয় ৰাষ্ট্ৰ সংস্থাৰ সৈতে সহযোগিতাৰ পৰ্যালোচনা কৰে।

০০০০০০০

ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী এন ডি আৰ এফে মাত্ৰ ২০ বছৰতে দেশৰ ১৪০ কোটি জনসাধাৰণৰ আস্থা অৰ্জন কৰিবলৈ সমৰ্থ হৈছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। গাজিয়াবাদত অনুষ্ঠিত ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ ৰাষ্ট্ৰপতি ধ্বজা প্ৰদান সমাৰোহত অংশগ্ৰহণ কৰি গৃহমন্ত্ৰীগৰাকীয়ে আজি এইদৰে কয়। শ্ৰী শ্বাহে কয়, যে দেশৰ যিকোনো অংশৰ জনসাধাৰণে বিপৰ্যয়ৰ সন্মুখীন হ'লে বা বিপৰ্যয়ৰ সংকেত লাভ কৰিলে এন ডি আৰ এফৰ কৰ্মীৰ উপস্থিতিয়ে তেওঁলোকক সকাহ দিয়ে। তেওঁ কয়, যে যিকোনো বাহিনীৰ বাবে ৰাষ্ট্ৰপতিৰ ধ্বজা লাভ কৰাটো গৌৰৱৰ বিষয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিপৰ্যয়ৰ সময়ত এন ডি আৰ এফ, এছ ডি আৰ এফ, পঞ্চায়ত, ৰাজ্যিক নিকায়, এন চি চি, এন এছ এছ আৰু হাজাৰ হাজাৰ আপদামিত্ৰৰ প্ৰয়াসৰ ভূয়সী প্ৰশংসা কৰা বুলি গৃহমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এন ডি আৰ এফৰ জোৱানসকলে উদ্ধাৰ আৰু সাহায্য অভিযানৰ বাবে বিশ্বৰ যি ঠাইলৈ গৈছে, সেই ঠাইৰে জনসাধাৰণৰ মৰম-স্নেহ লাভ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ লগতে কয়, যে এন ডি আৰ এফৰ ২০ বছৰ অকল সফলতাৰ দুটা দশকেই নহয়, বৰং বাহিনীটোৱে এই সময়ছোৱাত কৰ্তব্যৰ প্ৰতি নিষ্ঠা আৰু সমৰ্পনৰ মনোভাৱেৰে ৰাষ্ট্ৰপতিৰ পৰা সন্মান লাভ কৰিবলৈ সমৰ্থ হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ৫ খন ৰাষ্ট্ৰ ভ্ৰমণৰ প্ৰথম পৰ্য্যায়ত  কাইলৈ সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰলৈ যাব। প্ৰধানমন্ত্ৰীয়ে কাইলৈ আবুধাবিত সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি শ্বেইখ মহম্মদ বিন জায়েদ অল নাহিয়ানৰ সৈতে গুৰুত্বপূৰ্ণ দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। চলিত বৰ্ষৰ জানুৱাৰীত সংযুক্ত আৰৱ আমিৰীৰ ৰাষ্ট্ৰপতিগৰাকীৰ নতুন দিল্লী ভ্ৰমণৰ পাছত প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণে বিশেষ গুৰুত্ব বহন কৰিছে। উল্লেখযোগ্য যে, শ্বেইখ নাহিয়ানৰ ভাৰত ভ্ৰমণৰ সময়ত গুৰুত্বপূৰ্ণ শক্তি অংশীদাৰ হিচাপে এ ডি এন অ' চি গেছ আৰু হিন্দুস্তান পেট্ৰ'লিয়াম নিগম লিমিটেডে ১০ বছৰৰ বাবে প্ৰায় ৩ বিলিয়ন আমেৰিকান ডলাৰ মূল্যৰ এখন চুক্তিত স্বাক্ষৰ কৰিছিল। সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ আৰু ভাৰতে ব্যাপক অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তি সুদৃঢ় কৰাৰ লক্ষ্যৰে ২০৩২ চনৰ ভিতৰত দ্বিপাক্ষিক বাণিজ্য ২০০ বিলিয়ন ডলাৰলৈ বৃদ্ধি কৰাৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাও দোহাৰিছিল।

০০০০০০০

অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই আজি নতুনকৈ শপত গ্ৰহণ কৰা ৰাজ্যৰ চাৰিগৰাকী মন্ত্ৰীক বিভিন্ন বিভাগৰ দায়িত্ব অৰ্পণ কৰে। সেই অনুসৰি, ৰামেশ্বৰ টেলীক ৰূপান্তৰ আৰু উন্নয়ন, শ্ৰম কল্যাণ, চাহ জনগোষ্ঠী আৰু আদিবাসী কল্যাণ বিভাগ, অতুল বৰাক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম চুক্তি ৰূপায়ণ, সীমা সুৰক্ষা আৰু উন্নয়ন তথা আৱকাৰী বিভাগৰ দায়িত্ব দিয়া হৈছে। একেদৰে, মন্ত্ৰী চৰণ বড়োক পৰিবহণ, বড়োলেণ্ড কল্যাণ বিভাগ আৰু অজন্তা নেওগক মহিলা আৰু শিশু বিকাশ, পৰ্য্যটন বিভাগৰ দায়িত্ব প্ৰদান কৰা হৈছে।

০০০০০০০

ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া তিনিদিনীয়া ভ্ৰমণসূচীৰে যোৱা নিশা ছিকিমত উপস্থিত হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কাইলৈ টেমি টাৰ্কুত থকা ছিকিম ৰাজ্যিক বিশ্ববিদ্যালয় পৰিদৰ্শন কৰিব। তেওঁ লগতে প্ৰস্তাৱিত নামচি পৰ্য্যটন থলী, পি এম ডিভাইন আঁচনিৰ অধীনত ভালেডুংগা অঞ্চলত নিৰ্মাণৰত স্কাইৱাক প্ৰকল্প আদিৰ বুজ ল'ব। অহা শনিবাৰে তেওঁ নাথুলা ভ্ৰমণ কৰিব আৰু কৈলাশ-মানসৰোবৰ যাত্ৰাৰ বাবে পৰ্য্যটকসকলৰ আন্তঃগাঁথনি প্ৰকল্প পৰ্য্যালোচনা কৰিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে ছিকিমৰ প্ৰতিষ্ঠা দিৱস উদযাপন কাৰ্য্যসূচীতো অংশ ল'ব। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে অংশ ল'বলগীয়া এই অনুষ্ঠানত ড'নাৰ মন্ত্ৰালয়ৰ অধীনত কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰা হ'ব।

০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙে আজি বেইজিঙত আয়োজিত এখন শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰপতি ট্ৰাম্পে এই সন্মিলনক বৰ্তমানলৈ আয়োজন কৰা সৰ্ববৃহৎ শীৰ্ষ সন্মিলন বুলি অভিহিত কৰে। দুয়োগৰাকী নেতাই ইৰাণৰ যুদ্ধ আৰু দ্বিপাক্ষিক বাণিজ্যত প্ৰভাৱকে ধৰি বিভিন্ন বিষয়ত আলোচনা কৰে। শ্ৰীট্ৰাম্পে কয়, যে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু চীনে একেলগে কল্পনাতীত ভৱিষ্যতৰ দিশে আগুৱাই গৈছে। উল্লেখযোগ্য যে, আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকী তিনিদিনীয়া চীন ভ্ৰমণসূচীৰে যোৱা নিশা বেইজিঙত উপস্থিত হয়। দুয়োগৰাকী নেতাৰ মাজত অনুষ্ঠিত প্ৰথমখন বৈঠক প্ৰায় দুঘণ্টা ধৰি চলে। ট্ৰাম্পৰ সৈতে এই ভ্ৰমণকালত এপল কোম্পানীৰ মুখ্য কাৰ্য্যবাহী বিষয়া টীম কুক, টেছলা আৰু স্পেচ এক্সৰ

মুখ্য কাৰ্য্যবাহী বিষয়া এলন মাস্ক, ব্লেক ৰকৰ মুখ্য কাৰ্য্যবাহী বিষয়া লেৰি ফিংক আৰু এনভিডিয়াৰ মুখ্য কাৰ্য্যবাহী বিষয়া জেনচেন হোৱাঙকে ধৰি আমেৰিকাৰ শীৰ্ষ ব্যৱসায়ী নেতাসকল চীনলৈ আহিছে। ৰাষ্ট্ৰপতি শ্বি জিনপিঙে ট্ৰাম্পক সামৰিক অভিবাদনেৰে আদৰণি জনায়। তেওঁ ২০২৬ বৰ্ষত চীন-আমেৰিকা সম্পৰ্কৰ এটা নতুন অধ্যায় মুকলি হ'ব বুলি আশা প্ৰকাশ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে দুয়োখন দেশৰ মাজত পাৰ্থক্যতকৈ বেছি উমৈহতীয়া স্বাৰ্থ সম্বলিত বিষয় আছে। দুয়োখন দেশে প্ৰতিদ্বন্দ্বিতাৰ পৰিৱৰ্তে মিত্ৰতাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া উচিত বুলি উল্লেখ কৰি তেওঁ কয়, যে দেশ দুখনে সফলতা আৰু সমৃদ্ধি লাভত এখনে আনখনক সহায় কৰা উচিত।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হিমাচল প্ৰদেশৰ ধৰমশালাত হ'বলগীয়া এখন খেলত পঞ্জাব কিংছ আৰু মুম্বাই ইণ্ডিয়ানছ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা ৰায়পুৰত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে কলকাতা নাইট ৰাইডাৰ্ছক ৬ উইকেটত পৰাস্ত কৰে। এই জয়ৰ পাছত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ১৬ পইণ্টেৰে গুজৰাটৰ সৈতে যুটীয়াভাৱে প্ৰতিযোগিতাৰ পইণ্ট তালিকাত শীৰ্ষ স্থান দখল কৰে।

০০০০০০০

সমাপ্ত